NEWZ NOW

সংখ্যা ৪ | বুধবাৰ, ২৮ অক্টোবৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

দেশ

চাৰি ৰাজ্যৰ MLC নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় প্ৰদৰ্শন, কটাক্ষ প্ৰধানমন্ত্ৰী মোদীৰ

চাৰিখন ৰাজ্যৰ MLC নিৰ্বাচনত কৰ্ণাটকৰ আটাইকেইখন আসনতে BJP-JD(S)-ৰ জয়, আনহাতে কংগ্ৰেছৰ শোচনীয় প্ৰদৰ্শন। বিহাৰত জন সুৰাজৰ প্ৰথম জয়ে নতুন ৰাজনৈতিক সমীকৰণৰ ইংগিত দিয়াৰ বিপৰীতে উত্তৰ প্ৰদেশত BJP আৰু SP-ৰ মাজত প্ৰতিদ্বন্দ্বিতা অব্যাহত।



NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৬:২৫

দেশৰ চাৰিখন ৰাজ্যৰ বিধান পৰিষদৰ নিৰ্বাচনত কংগ্ৰেছৰ বাবে আহিল মোক্ষম আঘাত। কৰ্ণাটকৰ চাৰিওখন আসনতে পৰাজয়ৰ সন্মুখীন হ'ল শাসকীয় কংগ্ৰেছ। আনহাতে, উত্তৰ প্ৰদেশত BJP-এ গুৰুত্বপূৰ্ণ আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টিয়েও নিজৰ উপস্থিতি শক্তিশালী কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/67

অসম

জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ৰাজ্যপালক সাক্ষাৎ গৰিমা শইকীয়া গাৰ্গসহ শিল্পী-অভিনেতাৰ দলৰ, উত্থাপন কৰিলে ৭টা দাবী



পঢ়ক: https://newznow.in/news/62

দেশ

ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰাক লৈ উচ্চতম ন্যায়ালয়ৰ প্ৰশ্ন, Form 6 সন্দৰ্ভত নিৰ্বাচন আয়োগক নিৰ্দেশ



পঢ়ক: https://newznow.in/news/69

আন্তঃৰাষ্ট্ৰীয়

ইজৰাইলৰ নিৰ্বাচনত নেতানিয়াহুৰ শিবিৰৰ অগ্ৰগতি, চৰকাৰ গঠনৰ বাবে এতিয়াও অনিশ্চয়তা



পঢ়ক: https://newznow.in/news/71

দেশ

পশ্চিম এছিয়াৰ সংঘাতত ২২ জন ভাৰতীয়ৰ মৃত্যু: বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়



পঢ়ক: https://newznow.in/news/72

ভিতৰৰ পাততে

ৰাজনীতি: কৰ্ণাটকৰ বিধান পৰিষদৰ চাৰিওখন আসনত...
অসম: জুবিন গাৰ্গৰ ন্যায়! ৰাহুল গৌতম শৰ...
দেশ: 'আৰ্ণৱ'ৰ তাণ্ডৱ, ৩জনৰ মৃত্যু
দেশ: এপষ্টিন ফাইলছ বিতৰ্কৰ মাজতে মধ্যপ্...

আজিৰ গুৰুত্বপূৰ্ণ খবৰ

কৰ্ণাটকৰ বিধান পৰিষদৰ চাৰিওখন আসনতে NDAৰ জয়! কংগ্ৰেছৰ শূন্য, তিনিখন আসন BJPৰ আৰু এখন JD(S)ৰ দখলত

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:০৯



বেংগালুৰু, ২৮ অক্টোবৰ: কৰ্ণাটকৰ বিধান পৰিষদৰ শিক্ষক আৰু স্নাতক সমষ্টিৰ চাৰিখন আসনৰ নিৰ্বাচনত আটাইকেইখন আসনতে জয়লাভ কৰিছে বিজেপি আৰু জনতা দল (ছেকুলাৰ)ৰ মিত্ৰজোঁট NDAই। ইয়াৰ বিপৰীতে শাসকীয় কংগ্ৰেছে এখনো আসন লাভ কৰিবলৈ সক্ষম নহ'ল। ২৩ অক্টোবৰত অনুষ্ঠিত নিৰ্বাচনৰ ফলাফল ২৮ অক্টোবৰত প্ৰকাশ পায়।

চাৰিখন আসনৰ ভিতৰত বিজেপিয়ে তিনিখন আৰু মিত্ৰদল JD(S)এ এখন আসন লাভ কৰে। বেংগালুৰু শিক্ষক সমষ্টিত JD(S)ৰ প্ৰাৰ্থী এ পি ৰংগনাথে কংগ্ৰেছৰ বৰ্তমানৰ বিধান পৰিষদৰ সদস্য পুট্টান্নাক ৯০৮টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ৰংগনাথে ১০,৮১০টা ভোট লাভ কৰাৰ বিপৰীতে পুট্টান্নাই লাভ কৰে ৯,৯০২টা ভোট।

উত্তৰ-পূব শিক্ষক সমষ্টিত বিজেপিৰ প্ৰাৰ্থী শশীল জি নেমোশীয়ে কংগ্ৰেছৰ প্ৰাৰ্থী শৰণাপ্পা মাট্টুৰক পৰাস্ত কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/52

জুবিন গাৰ্গৰ ন্যায়! ৰাহুল গৌতম শৰ্মালৈ অখিল গগৈৰ পত্ৰ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৬:১৪



গুৱাহাটী, ২৮ অক্টোবৰঃ প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ দাবীক অধিক শক্তিশালী কৰি তুলিবলৈ এক অৰাজনৈতিক ঐক্যমঞ্চ গঠনৰ আহ্বান জনাই ৰাহুল গৌতম শৰ্মালৈ পত্ৰ প্ৰেৰণ কৰিছে জুবিন গাৰ্গ ন্যায় দাবী সমিতিয়ে। ২৬ অক্টোবৰত প্ৰেৰণ কৰা পত্ৰখনত জুবিন গাৰ্গৰ ন্যায়ৰ আন্দোলনত ৰাহুল গৌতম শৰ্মাক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। সমিতিৰ আহ্বায়ক মণ্ডলীৰ হৈ অখিল গগৈৰ নাম পত্ৰখনত উল্লেখ আছে।

পত্ৰখনত উল্লেখ কৰা অনুসৰি, যোৱা ২৫ অক্টোবৰত জুবিন ক্ষেত্ৰত অনুষ্ঠিত ৰাজহুৱা আলোচনা সভাত অসমৰ বিভিন্ন প্ৰান্তৰ শিল্পী, সাংবাদিক, আইনজ্ঞ আৰু সচেতন নাগৰিকৰ উপস্থিতিত ৰাহুল গৌতম শৰ্মাৰ প্ৰতি এই বিশেষ প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/66

'আৰ্ণৱ'ৰ তাণ্ডৱ, ৩জনৰ মৃত্যু

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১:১৯



নতুন দিল্লী, ২৮ অক্টোবৰঃ বংগোপসাগৰত সৃষ্টি হোৱা 'আৰ্ণৱ' ঘূৰ্ণীবতাহে বুধবাৰে পুৱা অন্ধ্ৰপ্ৰদেশৰ উপকূলত স্থলভাগত প্ৰৱেশ কৰে। ঘূৰ্ণীবতাহৰ প্ৰভাৱত অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ কেইবাটাও অঞ্চলত ধাৰাসাৰ বৰষুণ হোৱাৰ লগতে প্ৰচণ্ড বতাহ বলিছে। বতৰ বিজ্ঞান বিভাগে দুয়োখন ৰাজ্যৰ বিভিন্ন অঞ্চলত সতৰ্কতা জাৰি কৰিছে।

বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, ঘূৰ্ণীবতাহৰ সময়ত বতাহৰ গতিবেগ ঘণ্টাত ১২৫ৰ পৰা ১৩৫ কিলোমিটাৰ পৰ্যন্ত হৈছিল। মাজে মাজে বতাহৰ গতিবেগ ঘণ্টাত ১৫০ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি পাইছিল। অৱশ্যে, বুধবাৰে পুৱা ৮.৩০ বজাৰ পিছত ঘূৰ্ণীবতাহৰ তীব্ৰতা কিছু হ্ৰাস পায়।

ধাৰাসাৰ বৰষুণৰ ফলত অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমত সৰ্বাধিক ৩১৫ মিলিমিটাৰ বৰষুণ হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/57

এপষ্টিন ফাইলছ বিতৰ্কৰ মাজতে মধ্যপ্ৰদেশৰ ৰাজ্যসভাৰ উপ-নিৰ্বাচনত হৰদীপ সিং পুৰীক প্ৰাৰ্থী কৰিলে বিজেপিয়ে

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৫৩



নতুন দিল্লী, ২৮ অক্টোবৰঃ আমেৰিকাৰ বিতৰ্কিত বিত্তীয় ব্যক্তি জেফ্ৰি এপষ্টিনৰ সৈতে হোৱা ই-মেইলৰ আদান-প্ৰদান আৰু সাক্ষাৎক লৈ বিতৰ্কৰ মাজতে কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীক মধ্যপ্ৰদেশৰ ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে ভাৰতীয় জনতা পাৰ্টিয়ে।

আমেৰিকাৰ ন্যায় বিভাগে প্ৰকাশ কৰা এপষ্টিন-সম্পৰ্কীয় নথিপত্ৰত ২০১৪-১৫ চনত হৰদীপ সিং পুৰী আৰু জেফ্ৰি এপষ্টিনৰ মাজত হোৱা ই-মেইলৰ উল্লেখ আছে। সেই সময়ত ভাৰতীয় বৈদেশিক সেৱাৰ পৰা অৱসৰ লোৱাৰ পিছত পুৰী আন্তঃৰাষ্ট্ৰীয় শান্তি প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

পুৰীয়ে এপষ্টিনক তিনিবাৰ বা চাৰিবাৰ সাক্ষাৎ কৰাৰ কথা স্বীকাৰ কৰিছে। অৱশ্যে, তেওঁৰ মতে, এই সাক্ষাৎসমূহ পেছাগত কাম আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ সৈতে জড়িত আছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/61

এনকাউণ্টাৰৰ আশংকা! ঘনকান্ত গগৈৰ সুৰক্ষাক লৈ আদালতৰ কঠোৰ নিৰ্দেশ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১:০৭



গুৱাহাটী, ২৮ অক্টোবৰঃ গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত গুলীচালনাৰ ঘটনাৰ অভিযুক্ত ঘনকান্ত গগৈৰ সুৰক্ষা আৰু আইনী অধিকাৰ নিশ্চিত কৰিবলৈ আদালতে আৰক্ষীক কেইবাটাও নিৰ্দেশ দিছে।

আদালতৰ নিৰ্দেশ অনুসৰি, আৰক্ষীৰ জিম্মাত থকা অৱস্থাত অভিযুক্তৰ ওপৰত যাতে কোনো ধৰণৰ নিৰ্যাতন চলোৱা নহয়, সেয়া নিশ্চিত কৰিব লাগিব। স্বাস্থ্য পৰীক্ষা বা আদালতলৈ নিয়াৰ বাবে তেওঁক আৰক্ষী থানাৰ পৰা বাহিৰলৈ উলিয়াই নিয়াৰ সময়ত DSP পৰ্যায়ৰ বিষয়াৰ উপস্থিতি থাকিব লাগিব।

ইয়াৰ উপৰি, সূৰ্যাস্তৰ পিছত আৰু সূৰ্যোদয়ৰ আগতে অভিযুক্তক বাহিৰলৈ উলিওৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অভিযুক্তক প্ৰয়োজনীয় খাদ্য আৰু মৌলিক সামগ্ৰী যোগান ধৰাৰ লগতে প্ৰতি ২৪ ঘণ্টাৰ মূৰে মূৰে স্বাস্থ্য পৰীক্ষা কৰাৰো নিৰ্দেশ দিয়া হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/56

'ন্যায় ব্যৱস্থাত বিচাৰ প্ৰক্ৰিয়াই শাস্তিলৈ পৰিণত হয়' - প্ৰাক্তন ন্যায়াধীশ সঞ্জয় কৌল

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:২১



নতুন দিল্লী: দেশৰ ন্যায় ব্যৱস্থাত দীঘলীয়া আইনী প্ৰক্ৰিয়াই কেতিয়াবা শাস্তিৰ ৰূপ ল'ব পাৰে বুলি মন্তব্য কৰিছে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ সঞ্জয় কৌলে। উমৰ খালিদ আৰু শ্বাৰজিল ইমামৰ জামিন আবেদনৰ প্ৰসংগত তেওঁ কৰা এই মন্তব্যই বিচাৰাধীন বন্দীৰ অধিকাৰ আৰু জামিন প্ৰক্ৰিয়াৰ সময়সীমাক লৈ পুনৰ চৰ্চাৰ সৃষ্টি কৰিছে।

'আমাৰ ব্যৱস্থাত প্ৰক্ৰিয়াটোৱেই শাস্তিলৈ পৰিণত হয়' - সঞ্জয় কৌলৰ এই মন্তব্যই বিচাৰ আৰম্ভ হোৱাৰ পূৰ্বে দীৰ্ঘদিন কাৰাগাৰত থাকিবলগীয়া হোৱা অভিযুক্তসকলৰ অৱস্থাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে।

উল্লেখ্য যে, ২০২০ চনৰ দিল্লীৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সৈতে জড়িত বৃহত্তৰ ষড়যন্ত্ৰৰ গোচৰত উমৰ খালিদ আৰু শ্বাৰজিল ইমামৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/54

যুৱ প্ৰজন্মক Gen-Z, Gen-Alpha বুলি ভাগ কৰাৰ প্ৰয়োজন নাই: নীতিন নবীন

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ২:০৭



বাৰাণসী, ২৮ অক্টোবৰঃ যুৱ প্ৰজন্মক Gen-Z বা Gen-Alpha আদি শ্ৰেণীত ভাগ কৰাৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰিছে BJPৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে। তেওঁৰ মতে, যুৱক-যুৱতীসকলক কেৱল প্ৰজন্মৰ পৰিচয়েৰে নহয়, তেওঁলোকৰ চিন্তা-চৰ্চা, সামৰ্থ্য আৰু ভৱিষ্যতৰ লক্ষ্যৰ আধাৰত বুজিবলৈ চেষ্টা কৰা উচিত।

বাৰাণসীৰ মহাত্মা গান্ধী কাশী বিদ্যাপীঠত যুৱক-যুৱতীসকলৰ সৈতে হোৱা মত-বিনিময়ৰ সময়ত নীতিন নবীনে এই মন্তব্য কৰে। তেওঁ কয় যে যুৱ প্ৰজন্মৰ কথা শুনা আৰু তেওঁলোকৰ মতামতক গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়। প্ৰজন্মৰ নাম বা শ্ৰেণীক লৈ আলোচনা কৰাতকৈ তেওঁলোকৰ আশা-আকাংক্ষা আৰু সমস্যাবোৰ বুজি পোৱাত অধিক গুৰুত্ব দিব লাগে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/59

অপাৰেচন সিন্দূৰৰ পিছত প্ৰথমবাৰ পাকিস্তানী মন্ত্ৰীলৈ দিল্লীৰ নিমন্ত্ৰণ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:৪৩



নতুন দিল্লী, ২৮ অক্টোবৰ: ভাৰত-পাকিস্তানৰ মাজত কূটনৈতিক অস্থিৰতা অব্যাহত থকাৰ মাজতে দিল্লীত অনুষ্ঠিত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ (SCO) সভ্যতা-সংস্কৃতি বিষয়ক আলোচনাচক্ৰলৈ পাকিস্তানৰ ৰাষ্ট্ৰীয় ঐতিহ্য আৰু সংস্কৃতিমন্ত্ৰী ঔৰংজেব খান খিচ্চীক আমন্ত্ৰণ জনাইছে ভাৰতে। ২০২৫ চনৰ মে' মাহত 'অপাৰেচন সিন্দূৰ'ৰ পিছত পাকিস্তানৰ কোনো জ্যেষ্ঠ মন্ত্ৰীলৈ এয়া ভাৰতৰ প্ৰথম এনে আমন্ত্ৰণ বুলি জানিব পৰা গৈছে।

নতুন দিল্লীত ২০ আৰু ২১ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই আলোচনাচক্ৰৰ উদ্দেশ্য হৈছে এছিয়া আৰু ইউৰেছিয়াৰ দেশসমূহৰ মাজত সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰা আৰু প্ৰাচীন সভ্যতাসমূহৰ ঐতিহ্য, কলা, সাহিত্য আৰু পৰম্পৰাৰ বিষয়ে আলোচনা কৰা।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/55

মানকাচৰত বাল্য বিবাহবিৰোধী অভিযান তীব্ৰ, গ্ৰেপ্তাৰৰ সংখ্যা ৫০লৈ বৃদ্ধি

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৩৩



মানকাচৰ, ২৮ অক্টোবৰঃ দক্ষিণ শালমাৰা-মানকাচৰ জিলাত বাল্য বিবাহৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। নতুনকৈ ৯জন লোকক গ্ৰেপ্তাৰ কৰাৰ পিছত জিলাখনত এই অভিযানত গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা ৫০লৈ বৃদ্ধি পাইছে।

আৰক্ষীৰ তথ্য অনুসৰি, নতুনকৈ গ্ৰেপ্তাৰ কৰা ৯জনৰ ভিতৰত সুখচৰ আৰক্ষী থানা এলেকাৰ ৫জন, কালাপানী আৰক্ষী চকীৰ অধীনৰ ৩জন আৰু খাৰুৱাবান্ধা আৰক্ষী চকীৰ এলেকাৰ এজন

লোক আছে।

ইয়াৰ পূর্বে সোমবাৰে নিশা জিলাখনৰ পাঁচটা থানা আৰু আৰক্ষী চকী এলেকাত একেলগে অভিযান চলাই ৪১জন লোকক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। তাৰ পিছতো অভিযান অব্যাহত ৰাখি পুনৰ ৯জনক গ্ৰেপ্তাৰ কৰা হয়।

ইতিমধ্যে মঙলবাৰে গ্ৰেপ্তাৰ হোৱা ৪১জন লোকক হাটশিঙিমাৰী জিলা আদালতত হাজিৰ কৰোৱা হয়। আদালতৰ নির্দেশৰ পিছত তেওঁলোকক ধুবুৰী কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/58

চিয়াং প্ৰকল্পত ৭২ গাঁৱৰ উদ্বেগ, স্থানীয় ৰাইজৰ সৈতে আলোচনাত বহিল অৰুণাচলৰ মন্ত্ৰী

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:১৫



ইটানগৰ: অৰুণাচল প্ৰদেশৰ প্ৰস্তাৱিত ছিয়াং উচ্চ বহুমুখী প্ৰকল্পক লৈ স্থানীয় ৰাইজৰ সৈতে আলোচনা অব্যাহত ৰাখিছে ৰাজ্য চৰকাৰে। প্ৰকল্পটোক লৈ ৰাইজৰ মাজত থকা উদ্বেগৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় লোকৰ মতামত আৰু সমস্যাসমূহ শুনাৰ ওপৰত গুৰুত্ব দিছে চৰকাৰে।

প্ৰকল্পটোৰ সৈতে জড়িত সমীক্ষা আৰু কাৰিকৰী কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে স্থানীয় ৰাইজৰ সৈতে যোগাযোগ ৰক্ষা কৰিবলৈ বিষয়াসকলক আহ্বান জনাইছে ৰাজ্য চৰকাৰৰ মন্ত্ৰী ওজিং টাছিঙে। প্ৰকল্পটোৰ বিষয়ে ৰাইজক সঠিক তথ্য জনোৱা আৰু তেওঁলোকৰ আশংকাসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

উল্লেখ্য যে, প্ৰস্তাৱিত প্ৰকল্পটোক লৈ স্থানীয় ৰাইজৰ একাংশই ভূমি, জীৱিকা, পৰিৱেশ আৰু নিজৰ বসতিস্থলৰ ভৱিষ্যতক লৈ উদ্বেগ প্ৰকাশ কৰি আহিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/53

পৰেশ বৰুৱাই অসমৰ বাবেই যুঁজিছে! আলফা (স্বা)ৰ মুৰব্বীক প্ৰশংসা মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৪:৫৪



গুৱাহাটী, ২৮ অক্টোবৰঃ "পৰেশ বৰুৱা কাৰ কাৰণে যুঁজিছে? অসমৰ কাৰণে।" নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা (স্বা)ৰ মুৰব্বী পৰেশ বৰুৱাক প্ৰশংসা কৰি এই মন্তব্য কৰিছে অসম চৰকাৰৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে।

পৰেশ বৰুৱাৰ সংগ্ৰাম আৰু ত্যাগৰ প্ৰসংগ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে পৰেশ বৰুৱাই অসমৰ সুৰক্ষাৰ কথাই কৈ আহিছে। তেওঁৰ মতে, পৰেশ বৰুৱা আৰু তেওঁৰ সংগীসকলৰ ত্যাগৰ বিষয়টো অসমৰ ৰাইজে সাধাৰণভাৱে বিশ্লেষণ নকৰে।

দৈমাৰীয়ে লগতে মন্তব্য কৰে যে বিগত ৫০ বছৰত অসমত কোনো শক্তিয়ে যদি নিজৰ প্ৰভাৱ বজাই ৰাখিব পাৰিছে, তেন্তে সেয়া আছিল এই শক্তি।

মন্ত্ৰীগৰাকীৰ এই মন্তব্যই আলফা (স্বা) আৰু পৰেশ বৰুৱাৰ ভূমিকা সন্দর্ভত নতুন চর্চাৰ সৃষ্টি কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/63

শ্ৰীভূমিত বিহু দলৰ ওপৰত আক্ৰমণৰ প্ৰতিবাদ, বিহুৰ সাজ হাতত লৈ ক্ষোভ প্ৰকাশ লুৰীণজ্যোতি গগৈৰ

আজহাৰ উদ্দিন | ২৮ অক্টোবৰ ২০২৬, নিশা ৭:৩৩



শ্ৰীভূমি, ২৮ অক্টোবৰঃ শ্ৰীভূমিত বিহু দলৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। ঘটনাস্থলীত উপস্থিত হৈ আক্ৰমণত ফালি-ছিৰি নষ্ট কৰা বিহুৰ সাজ হাতত তুলি লৈ প্ৰতিবাদ সাব্যস্ত কৰে নেতাগৰাকীয়ে। অসমীয়াৰ জাতীয় পৰিচয়, সাংস্কৃতিক স্বাভিমান আৰু বাপতি-সাহোন বিহুৰ ওপৰত এনে আক্ৰমণ কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি

মন্তব্য কৰে তেওঁ।

এই ঘটনাৰ প্ৰতিবাদত শ্ৰীভূমি জিলা সদৰত চুতীয়া সমাজৰ লগতে অসম জাতীয় পৰিষদৰ নেতৃবৰ্গ আৰু কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখতো প্ৰতিবাদ জনায় বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/78

চাকৰিৰ প্ৰলোভনেৰে ডিমাকুছিৰ ব্যৱসায়ীৰ পৰা ৫২ হাজাৰ টকা লুট

পিংকু কলিতা | ২৮ অক্টোবৰ ২০২৬, নিশা ৭:২৬



ভেৰগাঁও, ২৮ অক্টোবৰঃ চাকৰি দিয়াৰ প্ৰলোভনেৰে ভেৰগাঁৱৰ ডিমাকুছিৰ এগৰাকী ব্যৱসায়ীৰ পৰা প্ৰায় ৫২ হাজাৰ টকা লুট কৰাৰ অভিযোগ উত্থাপন হৈছে। নিজকে হিমাশ্ৰী গোস্বামী বুলি পৰিচয় দিয়া এগৰাকী মহিলাৰ ফোনকলত বিশ্বাস কৰি ধন হেৰুৱালে ডিমাকুছিৰ ব্যৱসায়ী শুক্ৰাম বড়োৱে। দৰং জিলাৰ কলাইগাঁওস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে এই ধন লোৱা হৈছিল বুলি অভিযোগ কৰিছে ভুক্তভোগীয়ে।

অভিযোগ অনুসৰি, অভিযুক্ত মহিলাগৰাকীয়ে নিজকে জৱাহৰ নৱোদয় বিদ্যালয়ৰ এগৰাকী উচ্চপদস্থ বিষয়া বুলি পৰিচয় দিছিল। বিদ্যালয়খনত তিনিটা পদ খালী থকা বুলি জনাই খিলঞ্জীয়া যুৱক-যুৱতীক চাকৰিত নিযুক্তি দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই উদ্দেশ্যে উপযুক্ত প্ৰাৰ্থী বিচাৰি মহিলাগৰাকীয়ে শুক্ৰাম বড়োৰ সৈতে ফোনযোগে যোগাযোগ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/77

লংকাত শিশু সু�ৰক্ষা গোটৰ অভিযান, উদ্ধাৰ তিনি শিশু শ্ৰমিক

মনোজ কুমাৰ পাঠক | ২৮ অক্টোবৰ ২০২৬, নিশা ৭:২১



লংকা, ২৮ অক্টোবৰঃ হোজাই জিলাৰ লংকাৰ উদালী আৰু ফুলতলী অঞ্চলত শিশু সুৰক্ষা গোটে চলোৱা অভিযানত তিনিগৰাকী শিশু শ্ৰমিকক উদ্ধাৰ কৰা হয়। অঞ্চল দুটাৰ কেইবাখনো বিপণীৰ পৰা শিশুকেইজনক উদ্ধাৰ কৰে অভিযানকাৰী দলে।

হোজাই শিশু সুৰক্ষা গোটৰ উদ্যোগত, এটা বেচৰকাৰী সংস্থা (এন জি অ')ৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু উদালী আৰক্ষীৰ সহযোগত এই অভিযান চলোৱা হয়।

অভিযানকালত উদালী আৰু ফুলতলী অঞ্চলৰ কেইবাখনো বিপণীত শিশুক শ্ৰমিক হিচাপে নিয়োজিত কৰি ৰখাৰ তথ্য পোহৰলৈ আহে। অভিযানকাৰী দলে বিপণীসমূহৰ পৰা তিনি শিশুক উদ্ধাৰ কৰি পৰৱৰ্তী ব্যৱস্থাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰলৈ নিয়ে।

ইফালে, উদ্ধাৰ হোৱা শিশুকেইজনক কামত নিয়োজিত কৰি ৰখা বিপণীৰ স্বত্বাধিকাৰীসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/76

হাতত বন্দুক, মুখত গোলাপ: 'কিং'ৰ পোষ্টাৰক লৈ নকলৰ বিতর্ক

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, নিশা ৭:১৬



মুম্বাই, ২৮ অক্টোবৰঃ বলীউডৰ ছুপাৰষ্টাৰ শ্বাহৰুখ খানৰ আগন্তুক একচন ছবি 'কিং'ৰ নতুন পোষ্টাৰক লৈ ছ'চিয়েল মিডিয়াত বিতর্কৰ সৃষ্টি হৈছে। ২৭ অক্টোবৰত প্ৰকাশ কৰা পোষ্টাৰখনৰ সৈতে ৰণবীৰ সিঙৰ ছবি 'ধুৰন্ধৰ: দ্য ৰিভেঞ্জ',

অর্থাৎ 'ধুৰন্ধৰ ২'ৰ পোষ্টাৰৰ সাদৃশ্য থকা বুলি একাংশ দৰ্শকে মন্তব্য কৰিছে। অৱশ্যে, আন একাংশ অনুৰাগীয়ে শ্বাহৰুখৰ নতুন ৰূপক প্ৰশংসা কৰিছে।

'কিং'ৰ নতুন পোষ্টাৰখনত শ্বাহৰুখ খানক পকা চুলি, দাড়ি আৰু পু�ৰণি যেন লগা চামৰাৰ জেকেট পৰিহিত এক কঠোৰ ৰূপত দেখা গৈছে। তেওঁৰ এখন হাতত বন্দুক আৰু মুখত ৰঙা গোলাপ। পটভূমিত জ্বলি থকা এখন বিমানৰ দৰে দৃশ্যও দেখা যায়।

এই জুইৰ পটভূমি, ৰঙৰ ব্যৱহাৰ, দৃশ্যৰ বিন্যাস আৰু সামগ্ৰিক উপস্থাপনৰ বাবেই একাংশ ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে পোষ্টাৰখনৰ সৈতে 'ধুৰন্ধৰ ২'ৰ পোষ্টা...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/75

Microsoftৰ ৬০ হাজাৰ কৰ্মচাৰীক স্বেচ্ছাই চাকৰি এৰাৰ প্ৰস্তাৱ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৬:৫৮



নতুন দিল্লী, ২৭ অক্টোবৰঃ প্ৰযুক্তি প্ৰতিষ্ঠান Microsoft-এ প্ৰায় ৬০ হাজাৰ কৰ্মচাৰীক স্বেচ্ছাই চাকৰি এৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰস্তাৱৰ অধীনত যোগ্য কৰ্মচাৰীসকলে আৰ্থিক সহায় আৰু কেৰিয়াৰ পৰিকল্পনাৰ সুবিধা লাভ কৰিব পাৰে। ভাৰত, আমেৰিকা, ব্ৰিটেইন আৰু কানাডাৰ নিৰ্বাচিত কৰ্মচাৰীৰ বাবে এই আঁচনি আগবঢ়োৱা হৈছে।

Microsoftৰ Chief People Officer Amy Coleman-এ কৰ্মচাৰীসকললৈ প্ৰেৰণ কৰা আভ্যন্তৰীণ বাৰ্তাত Voluntary Exit Offer (VEO)ৰ কথা ঘোষণা কৰে। প্ৰতিষ্ঠানটোৰ মুঠ কৰ্মচাৰীৰ প্ৰায় ২৭ শতাংশই এই প্ৰস্তাৱ লাভ কৰাৰ যোগ্য হ'ব পাৰে। অৱশ্যে, সকলো কৰ্মচাৰীৰ বাবে এই সুবিধা প্ৰযোজ্য নহয়।

প্ৰতিষ্ঠানটোৰ নিৰ্বাচিত বিভাগত Level 70 বা তাৰ তলৰ পদত থকা যোগ্য কৰ্মচাৰীসকল এই আঁচনিৰ অন্তৰ্ভুক্ত হ'ব পাৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/73

'ককৰোচ জনতা পাৰ্টি'ৰ বিৰুদ্ধে ৫০ কোটি টকাৰ ক্ষতিপূৰণৰ আবেদন শুনিবলৈ অস্বীকাৰ দিল্লী উচ্চ ন্যায়ালয়ৰ

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৬:৪০



নতুন দিল্লী, ২৮ অক্টোবৰঃ দিল্লীত প্ৰতিবাদৰ ফলত সাধাৰণ নাগৰিকৰ অসুবিধা আৰু জনজীৱনত হোৱা ব্যাঘাতৰ অভিযোগ উত্থাপন কৰি 'ককৰোচ জনতা পাৰ্টি'ৰ (Cockroach Janata Party) বিৰুদ্ধে ৫০ কোটি টকাৰ অন্তৰ্বৰ্তীকালীন ক্ষতিপূৰণ বিচাৰি দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। একে বিষয়ক লৈ ইতিমধ্যে উচ্চতম ন্যায়ালয়ত একাধিক গোচৰ বিচাৰাধীন হৈ থকাৰ কথা উল্লেখ কৰি আবেদনকাৰীক উচ্চতম ন্যায়ালয়ৰ কাষ চাপিবলৈ পৰামৰ্শ দিছে আদালতে।

বুধবাৰে ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ নীতিন ৰাছুদেৱ সাম্ৰে আৰু ন্যায়াধীশ সঞ্জয় শৰ্মাৰ খণ্ড বিচাৰপীঠে আবেদনখনৰ শুনানি গ্ৰহণ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/70

মৰাণ-মটক জনগোষ্ঠীৰ ভূমি অধিকাৰক লৈ ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বৈঠক, দাবীসমূহ সমাধানৰ ওপৰত গুৰুত্ব

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, নিশা ৭:১৩



ডিব্ৰুগড়, ২৮ অক্টোবৰঃ অসমৰ মৰাণ আৰু মটক জনগোষ্ঠীৰ ভূমি অধিকাৰকে ধৰি বিভিন্ন সমস্যা আৰু দাবী সন্দৰ্ভত

ডিব্রুগড়ত জনগোষ্ঠী দুটাৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। জনগোষ্ঠী দুটাৰ দীৰ্ঘদিনীয়া দাবী, ভূমি সম্পৰ্কীয় সমস্যা আৰু চৰকাৰৰ সম্ভাব্য পদক্ষেপক লৈ এই বৈঠক গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।

অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভূমি, পৰিচয় আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ প্ৰশ্ন বহুদিন ধৰি চৰ্চাত আছে। মৰাণ আৰু মটক জনগোষ্ঠীয়ে অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীও উত্থাপন কৰি আহিছে। এনে পৰিপ্ৰেক্ষিতত জনগোষ্ঠী দুটাৰ সংগঠনৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/74

আন্তঃৰাষ্ট্ৰীয়

স্পেইনত দুখন দ্ৰুতবেগী ৰে'লৰ সংঘৰ্ষ, নিহতৰ সংখ্যা ৪৬লৈ বৃদ্ধি

NewzNow ডেস্ক | ২৮ অক্টোবৰ ২০২৬, আবেলি ৬:৩১



মাদ্ৰিদ, ২৮ অক্টোবৰঃ স্পেইনৰ ট'লেডো প্ৰদেশত দুখন দ্ৰুতবেগী ৰে'লৰ মাজত সংঘটিত ভয়ংকৰ সংঘৰ্ষত নিহতৰ সংখ্যা ৪৬জনলৈ বৃদ্ধি পোৱা বুলি এক প্ৰতিবেদনত প্ৰকাশ পাইছে। দুৰ্ঘটনাটোৰ পাছতে ব্যাপক উদ্ধাৰ অভিযান আৰম্ভ কৰা হৈছে। বহু লোক আহত হোৱাৰ লগতে ৰে'লৰ কেইবাটাও দবা ৰে'লপথৰ পৰা ওলাই যোৱাৰ খবৰ পোৱা গৈছে।

বুধবাৰে পুৱা প্ৰায় ৯ বজাত মাদ্ৰিদৰ পৰা দক্ষিণ স্পেইনৰ ছেভিললৈ যোৱা দ্ৰুতবেগী ৰে'লপথত এই দুৰ্ঘটনা সংঘটিত হয়। ৰে'ল আন্তঃগাঁথনি পৰিচালনা সংস্থা Adif-ৰ তথ্য অনুসৰি, ট'লেডো প্ৰদেশৰ উৰ্দা আৰু ম'ৰা-অৰ্গাজ অঞ্চলৰ মাজত দুখন ৰে'লৰ সংঘৰ্ষ হয়। ঘটনাটোত চৰকাৰী ৰে'ল পৰিচালনা সংস্থা Renfe আৰু ব্যক্তিগত ৰে'ল পৰিচালনা সংস্থা Iryo-ৰ ৰে'ল জড়িত আছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/68

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।